# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 09-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ে গুৱাহাটী, ডিব্ৰুগড় আৰু তেজপুৰকে ধৰি দেশৰ ২৪খন চহৰত ৱাটাৰ মেট্ৰ’ৰ প্ৰযুক্তিগত সম্ভাৱনীয়তা অধ্যয়নত অনুমোদন জনাইছে। কেৰালাৰ কোচিস্থিত দেশৰ প্ৰথম ৱাটাৰ মেট্ৰ’ৰ সফলতাৰ পাছত আন ২৪খন চহৰত জলপথেৰে যাতায়তৰ সম্ভাৱনা অন্বেষণৰ ব্যতিক্ৰমী পদক্ষেপ লোৱা হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৱাটাৰ মেট্ৰ’ৰ প্ৰযুক্তিগত সম্ভাৱনীয়তাৰ অধ্যয়নৰ অন্যতম হিচাপে গুৱাহাটী, ডিব্ৰুগড় আৰু তেজপুৰক বাছনি কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক ধন্যবাদ জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কৈছে যে ৰাজ্যৰ বিশাল নদী নেটৱৰ্কেৰে গুৱাহাটী, ডিব্ৰুগড় আৰু তেজপুৰৰ দৰে ঠাইত নগৰকেন্দ্ৰিক যাতায়াতৰ ৰূপান্তৰৰ অপাৰ সম্ভাৱনা বহন কৰি আহিছে।

ooooo

কাইলৈ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা নহয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি নিশা সামাজিক মাধ্যম এক্সযোগে এইকথা সদৰি কৰিছে। বাৰ্তাটোত তেওঁ কয় যে বিভিন্ন মাধ্যমত কাইলৈ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ’ব বুলি প্ৰকাশ হৈ আহিছে। কিন্তু শিক্ষা বিভাগে এই সন্দৰ্ভত এতিয়ালৈকে কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই। ফলাফল প্ৰস্তুত  হোৱাৰ লগে লগে ঘোষণা কৰা হব বুলিও বাৰ্তাটোত তেওঁ উল্লেখ কৰে।

ooooo

অসম কৃষি বিশ্ববিদ্যালয়ে আজি অৰণ্য মানৱ মানৱ হিচাপে খ্যাত যাদৱ পায়েং আৰু গ্ৰীণ অস্কাৰ বিজয়ী পূৰ্ণিমা দেৱী বৰ্মনক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। বিশ্ববিদ্যালয়খনৰ ২৫ সংখ্যক সমাৱৰ্তন সমাৰোহ উপলক্ষে দুয়োগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে বিশ্ববিদ্যালয়খনৰ অধীনত ৯খন মহাবিদ্যালয়ৰ পৰা স্নাতক, স্নাতকোত্তৰ ডিগ্ৰী আৰু পি এইছ্ ডি লাভ কৰা ৫৪৮ গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হ্য়।

অসম কৃষি বিশ্ববিদ্যালয়ৰ যোৰহাটৰ মূল চৌহদত অনুষ্ঠিত সমাৱৰ্তনত বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পৌৰহিত্য কৰে। কৃষি মন্ত্ৰী অতুল বৰাই অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ লগতে অসম কৃষি আয়োগৰ অধ্যক্ষ ডঃ হৰিশংকৰ গুপ্তাই ভাষণ দিয়ে।

ooooo

মৰিগাওঁ জিলাৰ মায়ং আৰক্ষী থানাৰ অন্তৰ্গত গৰুমাৰা দলনিৰ পৰা মৰিগাওঁ আৰক্ষীয়ে যোৱা নিশা দুজন চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰে। এক গোপন সূত্ৰৰ পম খেদি আৰক্ষীয়ে গৰুমৰা দলনি গাওঁৰ চাৰিবুদ জামান আৰু ৰমিশ ৰেজা নামৰ যুৱক দুজনক গ্ৰেপ্তাৰ কৰে। দুই যুৱকৰপৰা আৰক্ষীয়ে দুটা লেপটপ, দুটা মোবাইল, এটা কম্পিউটাৰ, এটা স্কেনাৰ মেচিন, প্ৰিণ্টাৰকে ধৰি নগদ ২ লাখ ২২ হাজাৰ টকা জব্দ কৰে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়িক কোষৰ উদ্যোগত আজি দেশত  নতুনকৈ বলবৎ কৰা ফৌজদাৰী আইনৰ সন্দৰ্ভত এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। নতুন ফৌজদাৰী আইন ৰূপায়নৰ সন্দৰ্ভত প্ৰচিকিউচন সঞ্চালকালয়ৰ ভূমিকাক লৈও অনুষ্ঠানটোত বিতংভাৱে আলোচনা কৰা হয়। বিশেষকৈ প্ৰচিকিউচন সঞ্চালকালয় আৰু অধিবক্তা সমাজে এই আইনৰ জৰিয়তে ন্যায় ব্যৱস্থাটোক কেনেদৰে জনসাধাৰণৰ কাষ চপাই নিব পাৰে সেই সন্দৰ্ভতো আলোকপাত কৰা হয়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে প্ৰচিকিউচন সঞ্চালকালয়ৰ সঞ্চালক মাখন ফুকনৰ লগতে উপ সঞ্চালক শান্তনু ভট্টাচাৰ্য্য আৰু মানস হালৈয়ে।

০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত আৰু জিলা প্ৰশাসনসমূহৰ সহযোগত ৰাজ্যৰ বিভিন্ন ঠাইত অসমী ব'হাগী মেলা-২০২৫ অনুষ্ঠিত হৈছে। গুৱাহাটী মহানগৰীৰ হেঙেৰাবাৰীস্থিত অমৃত উদ্যানত ৪ দিনীয়া কাৰ্যসূচীৰে অসমী ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। ১২ এপ্ৰিললৈকে চলিবলগীয়া এই ব'হাগী মেলাৰ আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব পুস্পাঞ্জলি দাসে শুভাৰম্ভ কৰে। আত্মসহায়ক গোটৰ সদস্যসকলে উৎপাদন কৰা সামগ্ৰীসমূহ বিক্ৰীৰ বাবে এখন নিৰ্ধাৰিত বজাৰ দিয়াৰ উদ্দেশ্যৰে এই মেলাসমূহৰ আয়োজন কৰা হৈছে।

ডিমা হাচাও জিলাৰ হাফলঙৰ লালফিল্ডতো ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। অহা ১১ এপ্ৰিললৈকে চলিবলগীয়া এই ব'হাগী মেলাত পাহাৰীয়া জিলাখনৰ জনজাতীয় সামগ্ৰীসমূহ উপলব্ধ হ'ব।

০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিবেশ্য কলা অধ্যয়ন কেন্দ্ৰ আৰু বিহু সুৰক্ষা সমিতি অসমৰ যৌথ উদ্যোগত বিশ্ববিদ্যালয়খনৰ হীৰক জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ আয়োজন কৰা হয়। আজি আলোচনাচক্ৰত অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে এই আলোচনাচক্ৰই গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক আৰু বৌদ্ধিক উত্তৰণত যথেষ্ট সহায় কৰিব। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ড° নগেন শইকীয়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱালকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত এখন খেলত গুজৰাট টাইটানছে জয়ৰ বাবে ৰাজস্থান ৰয়েলছক ২১৮ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জিকি ৰাজস্থান ৰয়েলছে প্ৰথমে গুজৰাট টাইটানছক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই ২১৭ ৰাণ সংগ্ৰহ কৰে। গুজৰাটৰ হৈ সাই সূদৰ্শনে সৰ্বাধিক ৮২ ৰাণৰ বৰঙণি আগবঢ়ায়।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ